3rd Sem.

# ঐতিহাসিক পটভূমিত হাজো

পূণ্যভূমি হাজো। হিন্দু, বৌদ্ধ, আৰু ইছলাম ধৰ্মীয় লোক সকলৰ পবিত্ৰ তীৰ্থস্থান হাজো হৈছে অসমৰ ধৰ্মীয় সংহতি আৰু সমণ্বয়ৰ মিলনভুমি। মণিকূট পৰ্বতৰ শিখৰত অৱস্থিত ঐতিহ্যমণ্ডিত হয়গ্ৰীৱ মাধৱ মন্দিৰ, হিন্দু আৰু বৌদ্ধধৰ্মী লোক সকলৰ পবিত্ৰ তীৰ্থস্থান। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ তীৰ্থস্থানখন হ'ল প্ৰাকৃতিক সৌন্দৰ্য্যৰে আবৃত গৌড়াচল পৰ্বতৰ শিখৰত থকা পোৱামক্কা য'ত পীৰ গিয়াছউদ্দিন আউলিয়াৰ দৰগাহ আৰু মছজিদ অৱস্থিত। মাধৱ, গণেশ কামেশ্বৰ, কমলেশ্বৰ, কেদাৰেশ্বৰ আদি দেৱতাৰ পঞ্চতীৰ্থ হাজো।

কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰত সিদ্ধেশ্বৰী, অপূৰ্ণভৱ, উৰ্ব্বশী, মণিকৰ্ণেশ্বৰ, পাণ্ডুনাথ, কামাখ্যা, অশ্বক্লান্ত, হয়গ্ৰীৱ আদি তীৰ্থৰ নাম পোৱা যায়। কালিকা পুৰাণত হাজোক "অপূৰ্ণভৱ" আৰু যোগিনীতন্ত্ৰত "বিষ্ণুপুষ্কৰ" আৰু "অপুনৰ্ভৱ" হিচাপে উল্লেখ পোৱা যায়। 'দৰঙ্গ' ৰাজবংশাৱলীত হাজোক "মণিকূট গ্ৰাম" আৰু মোগল সকলৰ সময়ত হাজোক "চুজাবাদ" বা চুজানগৰ হিচাপে জনা যায়।

হাজো শব্দটো বড়োসকলৰ "হাজৌ" শব্দৰ পৰা ওলাইছে বুলি অনুমান কৰা হয় যাৰ অৰ্থ হৈছে "পাহাৰ"। ইয়াৰোপৰি হাজো নামটোও "হজ" শব্দৰ পৰাই উৎপত্তি হোৱা বুলিও কিছু সংখ্যকে মত প্ৰকাশ কৰে।

পূণ্যভূমি হাজো গুৱাহাটীৰ পৰা **৩২** কিঃমিঃ দূৰত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত এখন উল্লেখযোগ্য ঐতিহ্যমন্দিত ঠাই। কোঁচ ৰজা ৰঘুদেৱে হাজোক এক সুকীয়া মৰ্য্যদা দিছিল। বৰ্মন বংশৰ শাসনৰ আগতে প্ৰাচীন কামৰূপত কিছুমান আখ্যান প্ৰসিদ্ধ ৰজা আছিল যেনে ঘটক কিৰাত, সম্বৰাসুৰ, ৰত্নাসুৰ, নৰকাসুৰ, ভগদত্ত, বান, আৰিমত্ত ইত্যাদি। তেওঁলোকক আমি ইতিহাসত আখ্যান প্ৰসিদ্ধ ৰজা হিচাপে পাওঁ। তেতিয়াও এই হাজো অঞ্চল প্ৰাগ্‌জ্যৌতিষপুৰৰ অন্তৰ্গত আছিল।

কিন্তু ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰ উপত্যকাত আমি দুটা বিশেষ উল্লেখযোগ্য ঘটনাৰ উল্লেখ পাওঁ। এটা হৈছে আহোমৰ অসম আগমন (**১২২৮** খৃঃতঃ) আৰু আনটো মুছলমানৰ কামৰূপ আক্ৰমণ (**১২০৫-০৬** খৃঃতঃ)। মুচলমানৰ প্ৰথম কামৰূপ আক্ৰমণত কামৰূপ ৰজা পৃথুই মুছলমান সেনাপতি বখতিয়াৰ খিলিজিক কামৰূপৰ পৰা খেদি পঠাইছিল। তেতিয়া বখতিয়াৰ খিলিজিয়ে এটা মন্দিৰত আশ্ৰয় লৈ দিনাজপুৰলৈ উভতি যোৱাৰ প্ৰমাণ পোৱা যায়। তেওঁ আশ্ৰয়লোৱা মন্দিৰটো ভাঙি থৈ গৈছিল। পৃথুয়ে তেতিয়া বখতিয়াৰে ভাঙি থৈ যোৱা মন্দিৰ পুনৰ নিৰ্মান কৰিবলৈ আদেশ দিছিল (**১২২৭** খৃঃতঃ)। কেপ্তেইন ডেল্টনে **১৮৫৫** চনত এচিয়াটিক চচাইটিৰ ১নং জাৰ্নেলত লিখিছিল যে ইখতিয়াৰে আশ্ৰয় লোৱা মন্দিৰটো অইন কোনো নহয় তেওঁ হাজোৰ মন্দিৰ বুলিহে অনুমান কৰে। **১২২৭** চনত মুছলমান দ্বিতীয়বাৰ কামৰূপ আক্ৰমন কৰে বংগৰ গবৰ্ণৰ গিয়াচউদ্দিনে আৰু পিছত **১২৫৫-৫৬** চনত ইখতিয়াৰ উদ্দিন তুঘ্ৰিল খাই কামৰূপ আক্ৰমণ কৰে। সেইসময়ত কামৰূপৰ ৰজা আছিল সন্ধা। তেওঁ মুছলমানৰ হাতত পৰাজিত হৈছিল। কামৰূপ দখল কৰি মুছলমানে ইচলামিক 'খুটবা' পঢ়ি শুক্ৰবাৰে ধৰ্মীয় সেৱা আগবঢ়োৱাৰ নিয়ম কৰিছিল। তাৰ পিছৰপৰাই কামৰূপত ইচলামিক আইন প্ৰৱৰ্তন হয়। কামৰূপৰ ৰজাই তেওঁৰ ৰাজধানী কমতাপুৰলৈ উঠাই নিয়ে আৰু তেতিয়াৰ পৰাই কামৰূপৰ নাম হয় কামৰূপ-কমতা।

১৬০০ শতিকাত কোচ শক্তিৰ উত্থানও অসমৰ পশ্চিম অংশৰ এটা উল্লেখযোগ্য ঘটনা। সেইসময়ত আহোম আৰু কোচ সকলৰ অধিনত আছিল অসম। পশ্চিম অংশত আছিল কোচ ৰাজ্য। মোগলসকলে ১৬০০ শতিকাৰ পিছৰ ভাগতহে বংগ দখল কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ ৰাজ্যসমূহ কোচৰজা নৰনাৰায়নৰ অধিনত আছিল। ১৫৮১ চনত নৰনাৰায়নে কোচ ৰাজ্য দুটা ভাগত ভাগ কৰে। সোনকোষ নৈলৈকে সীমা কৰি পশ্চিম খণ্ড নিজ অধিনত ৰাখি পূৱখণ্ড চিলাৰায়ৰ পুত্ৰ ভতিজাক ৰঘুদেৱক এৰি দিছিল। তেতিয়াৰ পৰাই পশ্চিম অংশক কোচবিহাৰ আৰু পূৱৰ অংশক কোচ-হাজো নামে জনাযায়। বৰ্তমানৰ হাজো অঞ্চলটো কোচ-হাজোৰ ৰজাৰ অন্তৰ্গত আছিল। কোচৰাজ্য বিভাজন আছিল ইতিহাসৰ এটা দুৰ্ভাগ্যজনক ঘটনা যাৰ ফলত ১৭০০ শতিকাৰ আৰম্ভনিতে মোগলে

কোচ বিহাৰ আৰু কোচ-হাজো দখল কৰি কৰতলীয়া ৰাজ্য কৰিছিল। জাহাংগীৰৰ ৰাজত্ব কালত বংগৰ গৰ্ণৰ ইচলামখাই কোচ হাজোৰ ৰজা পৰীক্ষিত নাৰায়নক দিল্লীলৈ লৈ গৈছিল (১৬১৩ খ্ৰীঃত)। দিল্লীৰ পৰা উভতি আহি ৰজা পৰীক্ষিতৰ মৃত্যু হৈছিল তেতিয়াই মোগেলে কোচ হাজো মোগল সাম্ৰাজ্যৰ লগত চামিল কৰিছিল। কোচ ৰজা বলিনাৰায়ন আহোম ৰাজ্যলৈ সহায়ৰ বাবে পলাই গৈছিল কিন্তু কোচ হাজো দখল কৰাৰ পিচত মোগলে কোচহাজোত মোগল শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল। শাসনৰ সুবিধাৰ্থে মোগলে ৰাজ্যখনক চৰকাৰ, পৰগনা আৰু তালুক এই কেইটা ভাগত ভাগ কৰি শাসন ব্যৱস্থা চলাই গৈছিল।

আহোম ৰজা প্ৰতাপ সিংহৰ দিনত বৰফুকনৰ অধিনত আহোম ৰাজ্যৰ পশ্চিম অঞ্চলৰ শাসনভাৰ আছিল। জয়ধ্বজ সিংহৰ দিনত মিৰজুমলাই অসম আক্ৰমণ কৰি আহোম ৰাজ্য দখল কৰিছিল আৰু চক্ৰধ্বজ সিংহৰ দিনত লাচিত বৰফুকনে মোগল সকলক অসমৰ পৰা খেদি পঠিয়াইছিল।

গদাধৰ সিংহৰ দিনত মোগলক অসমৰ পৰা খেদি পঠিয়ায় আৰু অসমত তেওঁ ব্ৰাহ্মন্য ধৰ্মৰ প্ৰচলন কৰিছিল। গদাধৰ সিংহৰ পিচত শিৱ সিংহ, প্ৰমত্ত সিংহ, ৰাজেশ্বৰ সিংহ আৰু লক্ষ্মী সিংহৰ দিনত অসমত একেই শাসন বৱস্থাৰ প্ৰচলন আছিল। মোৱামৰীয়া বিদ্ৰোহৰ পিচত মান আহিল আৰু মানক খেদি ইংৰাজে অসম লৈছিল। যদিও মোগল অসমৰ পৰা গুচি গৈছিল কিছুমান মোগল মুছলমান প্ৰজা কামৰূপত থাকি গৈছিল। হাজোত থকাখিনিক মৰীয়া বোলে। তলত হাজোৰ ঐতিহাসিক ঠাইসমূহৰ চমুকৈ বৰ্ণনা কৰা হ'ল-

**হয়গ্ৰীৱ-মাধৱ মন্দিৰ ঃ**

মণিকূট নামৰ সৰু পাহাৰ এটাৰ ওপৰত এক সুন্দৰ প্ৰাকৃতিক পৰিবেশত হাজোৰ পঞ্চতীৰ্থৰ অন্যতম হয়গ্ৰীৱ মাধৱ মন্দিৰ অৱস্থিত। প্ৰাচীন কালতে প্ৰতিষ্ঠা হোৱা হয়গ্ৰীৱ মাধৱ মন্দিৰৰ শৈল-ভাস্কৰ্য্য সমূহ অতি মনোৰম আৰু অসমীয়া শিল্পীৰ শিল্প নৈপুন্যৰ অপূৰ্ব নিদৰ্শন। পাহাৰৰ নামনিৰ পৰা দীঘল আহল-বহল শিলৰ খটখটি বগাই পাহাৰৰ শিখৰত থকা মন্দিৰলৈ উঠি যাব লাগে। খটখটিৰ সন্মুখ ভাগত তোৰণৰ দৰে আছে দুয়োকাষে দুটা মনোৰম সৰু দৌল। হয়গ্ৰীৱ মাধৱ প্ৰাচীন কামৰূপত অৱস্থিত কেইটামান বিখ্যাত মন্দিৰৰ ভিতৰত অন্যতম বিষ্ণু মন্দিৰ। মন্দিৰৰ ভিতৰত হয়গ্ৰীৱ মাধৱৰ লগতে বাওঁফালে দ্বিতীয় মাধৱ আৰু গড়ুৰপক্ষী, দক্ষিণ পিনে আছে গোবিন্দ মাধৱ আৰু বাসুদেৱ মূৰ্তি। মন্দিৰৰ গাত বহুতো দেৱ-দেৱীৰ মূৰ্তি খোদিত কৰা আছে। ঐতিহাসিক মতে এই মন্দিৰ নৰনাৰায়নে জংঘলত ভগ্ন অৱস্থাত আৱিস্কাৰ কৰিছিল। কোচৰজা ৰঘুদেৱে এই মন্দিৰপুনৰ নিৰ্মান কৰিছিল।

হয়গ্ৰীৱ মাধৱ মন্দিৰ সম্পৰ্কত বহুতো জনশ্ৰুতি আছে। হয়গ্ৰীৱঃ বিঃ (সং হয়, ঘোঁৰা+গ্ৰীৱা, গল) মুখ আৰু ডিঙি ঘোঁৰাৰ আকাৰে বিষ্ণুৰ এক অৱতাৰ, আকৌ মধু আৰু কৈভত অসুৰে ব্ৰহ্মাৰ টোপনি অৱস্থাত বেদ হৰণ কৰা বাবে বিষ্ণুৱে এই হয়গ্ৰীৱ অৱতাৰ ধৰি অসুৰক বধ কৰে। ব্ৰহ্মাৰ অনুৰোধত বিষ্ণুৱে পাতাললৈ গৈ বেদ চাৰিখন উদ্ধাৰ কৰি আনি ব্ৰহ্মাক দি হয়গ্ৰীৱ ৰূপত এই স্থানতে বিশ্ৰাম লৈ থাকে। বিষ্ণু বিশ্ৰাম লৈ থকা অৱস্থাত অসুৰ দুজন আহি বিষ্ণুৰ সৈতে পুনৰ যুদ্ধ লাগে আৰু বিষ্ণুৱে নিজৰ উৰুৰ ওপৰত ৰাখি অসুৰ দুজনক শিৰচ্ছেদ কৰে। বিষ্ণুৱে য'ত অসুৰ দুজনক শিৰচ্ছেদ কৰিছিল সেয়াই পাণ্ডুনাথ দেৱালয়, বিষ্ণুৱে য'ত শিলাৰূপ ধাৰণ কৰি আছে। শংকৰদেৱে লিখা "টোটয়" "মধু দানৱ দাৰন ....." ৰ মধু নামৰ বিষ্ণুৱে শিৰচ্ছেদ কৰা মধুদানৱ। কালিকা পুৰাণৰ মতে এই মন্দিৰ অতীতত ঔৰ্ব ঋষিয়ে প্ৰতিষ্ঠা কৰিছিল। ঔৰ্ব ঋষি আছিল ভৃগুমুনিৰ পুত্ৰ চ্যাৱন আৰু মনু কন্যা আৰুষীৰ পুত্ৰ। জৰাসুৰ, হয়াসুৰ আদি অসুৰৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি ঔৰ্ব ঋষিয়ে বিষ্ণু আৰাধনা কৰে। বিষ্ণুৱে জয়াসুৰ, হয়াসুৰক বধ কৰি হাজোৰ এই মণিকূট পাহাৰতে স্নান কৰিছিল সেই স্নান জলৰ দ্বাৰা এটি কুণ্ড হ'ল আৰু কুণ্ডৰ নাম "অপূৰ্ণভৱ" ৰাখি বিষ্ণুৱে এই মণিকূট পাহাৰতে থাকিল।

দেৱী ভাগৱত মতে হয়গ্ৰীৱ বিষ্ণুৰ সৈতে সংযোগ আছে। যোগিনীতন্ত্ৰমতে হয়গ্ৰীৱ মূৰ্তিটো পুৰীৰ জগন্নাথ মূৰ্তিৰ লগত সম্পৰ্ক থকা বুলি কয়। জনশ্ৰুতি অনুসৰি ইন্দ্ৰদুম্য ৰজাই সপোনত দেখিলে যে সাগৰত এদোখৰ ডাঙৰ গছ ভাহি আহিছে, তেওঁ সেই গছ টুকুৰা আনি সাতভাগ কৰি মুৰ্তি তৈয়াৰ কৰে আৰু তাৰে দুটা ভাগ কামৰূপলৈ আনি হয়গ্ৰীৱ মাধৱৰ মূৰ্তি স্থাপন কৰে। সেইবাবে মন্দিৰৰ পশ্চিম দুৱাৰখন জগন্নাথ মন্দিৰৰ সন্মুখা-সন্মুখীকৈ আছে বুলি এটা জনশ্ৰুতি চলি আহিছে। সেয়েহে মাধৱ মন্দিৰ দৰ্শনৰ অন্তত পশ্চিম দুৱাৰৰ পৰা জগন্নাথ মন্দিৰলৈ সেৱা জনোৱাৰ নিয়ম এটা আছে।

আহোম সকলৰ তথ্যমতে এই মন্দিৰটো দৰ্শন কৰিবলৈ ভুটান আৰু নেপালৰ পৰা লামা সম্প্ৰদায়ৰ বৌদ্ধ ধৰ্মী লোকসকলে শীতকালত আহে। তেওঁলোকে বিশ্বাস কৰে যে এই স্থানতে মহামুনি গৌতম বুদ্ধই নিৰ্বাণ লাভ কৰিছিল।

কিছু সংখ্যক ঐতিহাসিকৰ মতে ষষ্ঠ শতিকাত পাল বংশৰ ৰজাসকলে এই মন্দিৰটো নিৰ্মাণ কৰিছিল কিন্তু কালাপাহাৰে এই ঠাইত থকা প্ৰাচীন মন্দিৰটো ধ্বংস কৰাত ১৫৪৩ চনত কোঁচ ৰজা ৰঘুদেৱে এই মন্দিৰ পুনৰ নিৰ্মাণ কৰে। মন্দিৰৰ বাহিৰ ফালে থকা হাতীৰ শাৰী ভাগ আৰু বিভিন্ন শিলৰ মূৰ্তি সমূহ প্ৰাচীন কালৰ শৈল্য ভাস্কাৰ্য্যৰ নমুনা দাঙি ধৰে। মহাৰাজ ৰুদ্ৰসিংহ, শিৱসিংহ, প্ৰমত্ত সিংহ আৰু কমলেশ্বৰ সিংহৰ শিলালিপিত মন্দিৰলৈ দান-দক্ষিণা দিয়াৰ কথা উল্লেখ আছে।

উল্লেখ আছে যে ১৯০০ শতিকাত হয়গ্ৰীৱ মাধৱ মন্দিৰৰ ২২ খন মৌজাৰ ৭০,০০০ বিঘা মাটি আছিল একেবাৰে বজালী অঞ্চললৈ বিস্তৃত। মন্দিৰৰ পশ্চিমফালে প্ৰমত্তসিংহই ১৭৫০ চনত (Plate No. 2) এটা হোলী উৎযাপন কৰাৰ বাবে দৌলঘৰ নিৰ্মাণ কৰিছিল। প্ৰমত্তসিংহই মন্দিৰত বুলবুলী চৰাইৰ যুজ আৰম্ভ কৰিছিল মাঘৰ সংক্ৰান্তিত গোবিন্দ দৌল বা ৰাজা দৌলত।

যোগিনী তন্ত্ৰত উল্লিখিত ১৫ বিঘা ভূমিৰে আগুৰি থকা মাধৱ পুখুৰীটো “বিষ্ণুপুষ্কৰ” নামেৰে জনাযায়। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দুটা ভাগ এটা জগমোহন য’ত বৌদ্ধ ধৰ্মাৱলম্বী সকলে জ্বলায় সুগন্ধি ধূপকাঠি আৰু আনটো নাট, মন্দিৰ য’ত দেৱদাসী সকলে পূৰ্বতে নৃত্য প্ৰদৰ্শন কৰিছিল। এতিয়া অৱশ্যে দেৱদাসী প্ৰথা বন্ধ কৰা হৈছে। এই মন্দিৰত মাঘ বিহুৰ সংক্ৰান্তিত সাতদিনীয়া উৎসৱ পালন কৰা হয়। ইয়াৰ উপৰি কৃষ্ণৰ জন্মাষ্টমী, দৌল উৎসৱ আদি পতাৰ উপৰিও মাঘবিহুৰ প্ৰথম দিনাখন বুলবুলি চৰাইৰ যুঁজ মন্দিৰ প্ৰাঙ্গনত অনুষ্ঠিত কৰে।

**কমলেশ্বৰ মন্দিৰ ঃ**

মদনাচল পাহাৰত কেদাৰ মন্দিৰৰ পূৱে কমলেশ্বৰ মন্দিৰ অৱস্থিত। কমলেশ্বৰ মন্দিৰ হাজোৰ পঞ্চতীৰ্থৰ অন্যতম। কমলেশ্বৰ এটা শিৱপীঠ, প্ৰায় এক ফুট উচ্চতাৰ এই শিৱ পীঠটো।

বৰ্তমান এটা সাধাৰণ গৃহত এই মন্দিৰ বিদ্যমান। কমলেশ্বৰ মন্দিৰ কেদাৰ মন্দিৰৰ সমসাময়িক ভাৱে নিৰ্মিত বুলি অনুমান কৰা হয়। পুৰোহিতৰ দ্বাৰা বৰ্তমান মন্দিৰৰ দৈনন্দিন পূজা অৰ্চনা কৰা হয়। শিৱৰাত্ৰি উৎসৱ প্ৰতিবছৰে পালন কৰা হয়।

**কেদাৰ মন্দিৰ ঃ**

মদনাচল পাহাৰৰ শিখৰত কেদাৰ মন্দিৰ অৱস্থিত। কেদাৰ মন্দিৰ শিলেৰে নিৰ্মিত প্ৰাচীন শিৱ মন্দিৰ। হাজোৰ মন্দিৰ নিৰ্মান সম্পৰ্কে নানা জনশ্ৰুতি আছে। কোনো কোনোৰ মতে শৈৱধৰ্মী শালস্তম্ভ আৰু পালবংশীয় ৰজাসকলৰ ৰাজত্ব কালত এই মন্দিৰ নিৰ্মাণ হয়। কিন্তু সময়ৰ সোঁতত এই মন্দিৰ ধ্বংস হয় আৰু ১৭৫১-১৭৬৯ চনত ৰাজেশ্বৰ সিংহৰ দিনত এই মন্দিৰ পূণৰ নিৰ্মাণ কৰা হয়।১৭৫৮ চনত ৰজা ৰাজেশ্বৰ সিংহই তৰুণ দেবেৰা বৰফুকনক মন্দিৰটো সাজিব দিছিল।

মন্দিৰৰ মূল বিগ্ৰহটো শিৱলিংগ। বিগ্ৰহৰ চাৰিওফালে শিলেৰে নিৰ্মিত ঘূৰণীয়া বেষ্টনীটো যোনীপীঠ বা গৌৰীপীঠ হিচাপে খ্যাত। শিৱলিঙ্গৰ কাষত পঞ্চমুখী, দশভূজা শিৱৰ চলন্তা মূৰ্তি আন এখন বেদীত স্থাপন কৰা আছে। ইয়াত “মদন পুষ্কৰ” নামে এটা পুখুৰী আছে। মন্দিৰত প্ৰতিবছৰে শিৱৰাত্ৰী উৎসৱ পালন কৰা হয়।

**কামেশ্বৰ মন্দিৰ ঃ**

হাজোৰ পঞ্চতীৰ্থৰ ভিতৰত কামেশ্বৰ শিৱ মন্দিৰ অন্যতম। গোকৰ্ণ বা কামেশ্বৰ পাহাৰত এই মন্দিৰ অৱস্থিত। কালিকা পুৰাণ আৰু গোগিনী তন্ত্ৰত উল্লিখিত অনুসৰি এইখন আগতে কামপীঠ আছিল। মদন কামদেৱৰ জনশ্ৰুতি অনুসৰি শিৱ আৰু পাৰ্বতীৰ কাম লিপ্সাৰ কথা শুনিবলৈ পোৱা যায় এই মন্দিৰৰ। পূৰ্বৰ মন্দিৰ ধ্বংস হোৱাত ১৭৫১ চনত আহোম ৰজা প্ৰমত্ত সিংহই এই মন্দিৰ পূণৰ নিৰ্মান কৰে। ১৮৯৭ চনত বৰভুঁইকপত মন্দিৰটো ক্ষতিগ্ৰস্ত হোৱাত এই মন্দিৰ পুনৰ নিৰ্মাণ কৰা হয়।

মন্দিৰত শিৱলিংগ আৰু পঞ্চানন দশভূজা মূৰ্তি আছে। প্ৰতেক বছৰে মদন ত্ৰয়োদশী আৰু শিৱৰাত্ৰি উৎসৱ পালন কৰা হয়। জনশ্ৰুতি আছে যে চ’ত মাহৰ শুক্লা পক্ষৰ ত্ৰয়োদশী তিথিত কেদাৰ আৰু কামেশ্বৰ মন্দিৰ যিলোকে দৰ্শন কৰে তেওঁ দেৱতাসকলৰ পৰম পদ লাভ কৰে।

**গণেশ মন্দিৰ ঃ**

হাজোৰ পঞ্চতীৰ্থৰ ভিতৰত গণেশ মন্দিৰো অন্যতম। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ ওচৰৰ গণেশ পাৰাত এই মন্দিৰ অৱস্থিত। ইয়াত বিশাল শিলাখণ্ডত গণেশ দেৱতাৰ মূৰ্তি অংকিত কৰা আছে। হস্তী আকৃতিৰ বিশাল শিলাখণ্ড টুকুৰা দীঘলে প্ৰায় ৩০ ফুট, বহলে প্ৰায় ১৮ ফুট আৰু উচ্চতা প্ৰায় ১৫ ফুট। প্লেট নং ১৫ মতে ১৭৪৪ খ্ৰীষ্টাব্দত আহোম ৰজা প্ৰমত্ত সিংহই এই মন্দিৰ নিৰ্মাণ কৰিছিল। এই মন্দিৰটো জগমোহন গৃহ, চৰাঘৰ আৰু ভোগঘৰ এই তিনিভাগত আছে। মাঘৰ সংক্ৰান্তিত হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰ আদি দেৱতাক গণেশ মন্দিৰৰ দেৱভৰনত পূজাৰ বাবে লগ লগোৱা হয়। সেই বাবে গণেশ মন্দিৰক "দেৱভৰন" বুলিও জনা যায়। মন্দিৰৰ চৌহদটো বৰ্তমান ইটাৰ বেৰ দি প্ৰৱেশদ্বাৰ সুন্দৰ ভাবে নিৰ্মাণ কৰা আছে। মন্দিৰৰ জগমোহনঘৰ, চ'ৰাঘৰ, ভোগঘৰ অসংৰক্ষিত ৰূপতহে আছে। একাদশী আৰু সংক্ৰান্তিত মন্দিৰত বিভিন্ন পূজা মহোৎসৱ পালন কৰা হয়।

ইয়াৰ উপৰিও হাজোৰ অপুনৰ্ভৱ কুণ্ড, বিকৰ্ণ, ভীমৰ চৰিয়া, নেতাই ধুবুনী ঘাট, জয়দুৰ্গা দেৱালয়, ভৃঙ্গেশ্বৰ দেৱালয়, ধাৰেশ্বৰ দেৱালয়, হৰ-গৌৰী মন্দিৰ, অগ্নিবানেশ্বৰ দেৱালয়, কপিলমুনিৰ আশ্ৰম, চৈতন্য ঘোপা আদি উল্লেখযোগ্য ঐতিহ্য মন্দিত ঠাই।

**ধোপৰগুৰি সত্ৰ ঃ**

হাজোৰ ধোপৰগুৰি সত্ৰ মহাপুৰুষীয়া সাধু লক্ষ্মীকান্ত আতৈ ১৫৮৭ চনত সজাইছিল। এই অঞ্চলৰ মানুহে মাধৱদেৱক যথেষ্ট সন্মান কৰিছিল। কথা গুৰু চৰিতত ধোপৰগুৰি সত্ৰৰ বিষয়ে উল্লেখ আছে। বৰ্তমান এই সত্ৰখন মহাপুৰুষীয়া নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হয়।

**পোৱামক্কা ঃ**

পোৱামক্কা মুছলমান সকলৰ এখন প্ৰসিদ্ধ তীৰ্থস্থান। হাজোৰ গৰুড়াচল নামৰ এটি সৰু পাহাৰত এই তীৰ্থ বা 'দৰগাহ' অৱস্থিত। লোক প্ৰবাদমতে ভগবান শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি আহোতে গৰুড় পক্ষীৰ পিঠিত উঠি আহি ইয়াত ক্ষন্তেক জিৰাইছিল। গৰুড় পক্ষী ভাগৰত অচল হৈ এই পাহাৰত পৰাৰ পৰাই হেনো এই পাহাৰৰ নাম গৰুড়াচল হয়।

১৬৫৭ চনত মোগল সম্ৰাট ছাহজাহানৰ পুত্ৰ আব্দুল গাজী চুজাউদ্দিনে ইয়াতে এটা মছজিদ নিৰ্মান কৰোৱাইছিল। এই মছজিদটো ধংস হয় আৰু ১৮৯৭ চনত আন এটা মছজিদ সজোৱা হয়। এই মছজিদটো এতিয়াও আছে। প্ৰত্যেক বছৰে জানুৱাৰী, মাৰ্চ মাহত ইয়াত ডাঙৰ উৎসৱ হয়। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ ইয়াত মিলন হয়। হিন্দু সকলে জেঠ মাহৰ শুক্লা পূৰ্ণিমাত এই তীৰ্থ দৰ্শন কৰা দেখা যায়।

মুছলমান সকলৰ উপৰিও হিন্দুসকলৰ বাবেও পোৱামক্কা পবিত্ৰ স্থান। জেঠ মাহৰ শুক্লা পূৰ্ণিমাত ইয়াত বহু হিন্দু ভক্তৰ সমাবেশ হয়। পোৱামক্কা মছজিদটোৰ কাষতে এটি প্ৰাচীন কবৰ আৰু এটা পুখুৰী আছে। ইৰাণৰ পৰা অহা গিয়াচুদ্দিন আউলিয়া নামে সাধু এজনে এই পুখুৰীটো সজাইছিল আৰু কবৰটো তেওঁৰ বুলিয়ে অনুমান কৰা হয়।

পোৱামক্কা নামটোৰ উৎপত্তি সম্পৰ্কে বহুতো জনশ্ৰুতি পোৱা যায়। লোককথা মতে, সুদুৰ মক্কাৰ পৰা এপোৱা মাটি আনি এই মছজিদটোৰ ভেটি স্থাপন কৰা হৈছিল বাবে ইয়াক পোৱামক্কা বোলে। পোৱামক্কালৈ আহিলে মক্কা দৰ্শনৰ চাৰিভাগৰ এভাগ, অৰ্থাৎ এপোৱা পূণ্য হয় বুলিও জনবিশ্বাস প্ৰচলিত। হিন্দু-মুছলমানৰ সমন্বয় স্থাপনত পোৱামক্কাই স্মৰণীয় বৰঙণি যোগাইছে।

সদৌ শেষত উল্লেখ কৰিব বিচাৰোঁ যে হাজো ৰাজহ চক্ৰৰ মাধৱ মন্দিৰ আৰু এই মন্দিৰৰ ওচৰে পাঁজৰে থকা মঠ-মন্দিৰ, আৰু প্ৰাচীন কীৰ্ত্তিচিহ্ন (আজ্ঞাঠুৰিৰ অগ্নি বাণেশ্বৰ সংলগ্ন ঠাই) সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্দ্ধন কৰি হাজোক আকৰ্ষণীয় পৰ্যটন থলী হিচাপে কৰাৰ যথেষ্ট সমল আৰু সম্ভাৱনা আছে আৰু এই ঠাইখনক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে গঢ়ি তুলিব পৰাৰ অৱকাশো আছে। ❑

**প্ৰসঙ্গ-পুথি**

১। "পূণ্যভূমি অসম"- শ্ৰীনৰজ্যোতি দৌৰচৌধুৰী।
২। "অসম দেশৰ বুৰঞ্জী"- লক্ষ্মী দেৱী।
৩। "A Culture History of Assam" – B.K. Barua.